# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-04-2025 **Time :** 0900 Hrs.

***Assamese Morning Bulletin***
***Headlines***

---------

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি ডিফুত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ পৰ্যালোচনা বৈঠক।

২। পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰ্থীৰ তালিকা চূড়ান্ত হোৱাৰ পাছত ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচনী তৎপৰতা বৃদ্ধি।

৩। আজি বিশ্ব ঐতিহ্য দিৱস। প্ৰত্নতত্ব সঞ্চালকালয়ৰ চৰাইদেউত বিশেষ কাৰ্যসূচী গ্ৰহণ।

৪। মালয়েছিয়ান টুৰ এণ্ড ট্ৰেভেল এজেণ্ট ফ'ৰামৰ মেলাত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ অংশগ্ৰহণ।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে মুম্বাই ইণ্ডিয়ানছৰ ৪ উইকেটত জয়লাভ।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি কাৰ্বি আংলং জিলাৰ ডিফুত ১০০ কোটি টকা ব্যয়সাপেক্ষে ভালেমান উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত কেইবাটাও পথ উন্নয়ন প্ৰকল্প, প্ৰতিমূৰ্তি, তোৰণ উন্মোচন আৰু দলং নিৰ্মাণ প্ৰকল্প অন্যতম। মুখ্যমন্ত্ৰীগৰাকীয়ে ডিফুত প্ৰথমগৰাকী কাৰ্বি ৰজা আৰু ৰাণী ৰেংবংহ'মৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে পাহাৰীয়া জিলাখনলৈ যোৱা মুখ্যমন্ত্ৰী শৰ্মাই লৰেন্যু ৰেঙমা গাঁও সমিতিৰ সভাপতি আৰু গাঁও প্ৰধানক সাক্ষাৎ কৰি ৰেঙমা সম্প্ৰদায়ৰ উন্নয়ন আৰু সৰ্বাংগীন বিকাশ সন্দৰ্ভত আলোচনা কৰে। ইয়াৰ পূৰ্বে তেওঁ ডিফুৰ তাৰালাংছ'ৰ কাজিৰ ৰংহাংপী অতিথিশালাত ভৈয়ামৰ কাৰ্বি সংগঠনসমূহৰ প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত অঞ্চলটোৰ সামগ্ৰিক উন্নয়ন আৰু স্থায়ী শান্তিৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতি পুনৰ নিশ্চিত কৰি কাৰ্বি জনগোষ্ঠীৰ বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। ড০ শৰ্মাই তাৰালাংছ'ত জিলাখনৰ পূৰ্বৰ সশস্ত্ৰ সংগঠন পি ডি চি কে, কে এল এন এল এফ, কে পি এল টি ডি, কে পি এল টি আৰ, কে পি এল টি এম আৰু ইউ পি এল এৰ প্ৰাক্তন সদস্যসকলৰ সৈতেও বৈঠকত মিলিত হয়। এই সংগঠনসমূহে ২০২১ চনত কেন্দ্ৰীয় চৰকাৰৰ সৈতে ঐতিহাসিক শান্তি চুক্তিত স্বাক্ষৰ কৰিছিল। সংগঠন কেইটাৰ প্ৰাক্তন সদস্যসকলৰ পুনৰ সংস্থাপনৰ বাবে ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

মুখ্যমন্ত্ৰী শৰ্মাই ডিফুত অংগনবাড়ী কৰ্মী আৰু শিশুসকলৰ মাজত সামগ্ৰী বিতৰণ কৰি কয়, যে অহা ১ অক্টোবৰৰ পৰা অংগনৱাড়ী কৰ্মীৰ দৰমহা বৃদ্ধিৰ লগতে তেওঁলোকক এককালীন সাহায্য আগবঢ়োৱাৰ পৰিকল্পনা কৰা হৈছে। শিশুসকলক উচ্চ শিক্ষাৰে শিক্ষিত কৰিবলৈ হ'লে অংগনৱাড়ী কেন্দ্ৰৰ পৰাই এই প্ৰক্ৰিয়া আৰম্ভ কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে হাইস্কুল শিক্ষান্ত আৰু স্নাতক পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া শিক্ষাৰ্থীসকলৰ কাৰণেও কেতবোৰ গুৰুত্বপূৰ্ণ ঘোষণা কালি ডিফুত ঘোষণা কৰে।

(বাইট)

মুখ্যমন্ত্ৰীৰ ভ্ৰমণসূচীৰ আজি দ্বিতীয় দিনা কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ এখন পৰ্যালোচনা সভাত ড০ শৰ্মাই অংশগ্ৰহণ কৰিব।

০০০০০০০

অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলগীয়া প্ৰাৰ্থীসকলৰ তালিকা কালি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনা ঘোষণা কৰা হয়। এই ক্ষেত্ৰত ৰাজ্যিক নিৰ্বাচন আয়োগে দিয়া তথ্য অনুযায়ী জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ আসনৰ বাবে ৭ হাজাৰ ১৭৪খন মনোনয়ন দাখিল কৰা হৈছিল। ইয়াৰ ভিতৰত ছহেজাৰ ৭৬১খন মনোনয়ন গ্ৰহণ কৰা হয়। গ্ৰহণ হোৱা মনোনয়নসমূহৰ ভিতৰত ১৮৯খন মনোনয়ন নাকচ কৰাৰ বিপৰীতে ২৩৪খন মনোনয়ন প্ৰত্যাহাৰ

কৰা হয়। গাঁও পঞ্চায়ত পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলগীয়া প্ৰাৰ্থীসকলৰ পৰিসংখ্যা জিলাই জিলাই ঘোষণা কৰা হৈছে। উল্লেখযোগ্য যে জিলা পৰিষদৰ ৩৯৭খন আৰু আঞ্চলিক পঞ্চায়তৰ দুহেজাৰ ১৯২খন আসনত নিৰ্বাচন অনুষ্ঠিত হ'ব। ৱাৰ্ড সদস্যৰ ২১ হাজাৰ ৯২০খন আসনৰ বাবে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

নিৰ্বাচন আয়োগে নিৰ্বাচনী আচৰণ বিধি উলংঘাকে ধৰি পঞ্চায়ত নিৰ্বাচন সম্পৰ্কীয় অভিযোগৰ বাবে প্ৰতিখন জিলাত এটা শুল্কবিহীন নম্বৰৰ ব্যৱস্থা কৰিছে। জনসাধাৰণে এই জিলাভিত্তিক নম্বৰসমূহত ফোন কৰি ওজৰ আপত্তি দাখিল কৰিব পাৰিব।

প্ৰাৰ্থীৰ তালিকা চূড়ান্ত হোৱাৰ পাছত ৰাজ্যৰ বিভিন্ন ঠাইত ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। বিজেপি, অগপ, গণশক্তি আৰু ৰাভা হাছং ঐক্যমঞ্চৰ সন্মিলিত যুঁজৰ বিপৰীতে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনাও বিৰোধীয়ে ঐক্যবদ্ধ হোৱাৰ বাবে কোনো পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত নহ'ল। শিৱসাগৰত ৰাইজৰ দলৰ হৈ জ্যেষ্ঠ নেতা অনুপ বৰপাত্ৰ গোঁহাইয়ে কালি এখন সংবাদমেল সম্বোধন কৰি শিৱসাগৰ সমষ্টিৰ ছখন জিলা পৰিষদৰ আসন বুজাবুজিৰ ক্ষেত্ৰত কংগ্ৰেছ দলে নিজৰ স্থিতি স্পষ্ট নকৰাৰ বাবে ৰাইজৰ দলে অকলে নিৰ্বাচন খেলাৰ পোষকতা কৰিছে বুলি জানিবলৈ দিয়ে।

ইফালে, অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে এই নিৰ্বাচনত শাসকীয় বিজেপি দলে আৰক্ষীক নিজৰ সুবিধাৰ বাবে ব্যৱহাৰ কৰাকে ধৰি আন কেইবাটাও গুৰুতৰ অভিযোগ তুলি উলুবাৰী আৰক্ষী সঞ্চালক প্ৰধানৰ কাৰ্যালয়ৰ সন্মুখত কালি প্ৰতিবাদ সাব্যস্ত কৰে।

ধেমাজি জিলাত পঞ্চায়ত নিৰ্বাচনত মুঠ এহেজাৰ ৭৬৮গৰাকী প্ৰাৰ্থী নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনটোত কালি ৯৩গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। জিলাখনৰ তিনিখন আঞ্চলিক পঞ্চায়ত সদস্যই বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰে।

মানকাচৰতো একাংশ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰাৰ পাছত সমষ্টিটোৰ চাৰিখন জিলা পৰিষদত ২৫গৰাকী প্ৰাৰ্থীৰ মনোনয়ন যোগ্য বিবেচিত হৈছে। ৩৫খন গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়ত সদস্যপদৰ বাবে ১৫০গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছিল যদিও ইয়াৰ চাৰিগৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ কালি বাতিল হয় বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। শিলচৰত ৩১খন গাঁও পঞ্চায়তৰ ৩১০টা ৱাৰ্ডত ১৪৮জন বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰে।

ডিব্ৰুগড় আৰু যোৰহাট জিলাত পঞ্চায়ত নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰিবলৈ কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত বিভিন্ন কোষৰ মুৰব্বীসকলৰ পৰা নিৰ্বাচনী কাম-কাজৰ অগ্ৰগতিৰ বুজ লোৱা হয়। ভোটগ্ৰহণৰ দায়িত্বত নিয়োজিত বিষয়াসকলৰ সুবিধা-অসুবিধাৰ বিষয়েও কালিৰ বৈঠকত আলোচনা কৰা হয়। ডিব্ৰুগড়ৰ পৰা নিৰ্বাচনী প্ৰস্তুতি সম্পৰ্কত এয়া আমাৰ সংবাদদাতা যাদৱ গগৈ-

**ৰাইট**

)যোৰহাট জিলাত পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত তিনিওটা বিধানসভা সমষ্টিৰ অন্তৰ্গত পৰিবহন কোষৰো এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়।

গোলাঘাট জিলাৰ বোকাখাটতো পঞ্চায়ত নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে বিভিন্ন ৰাজনৈতিক প্ৰতিনিধিসকলৰ মাজত সমজিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। জিলাখনত পঞ্চায়ত নিৰ্বাচনৰ দায়িত্বৰ ক্ষেত্ৰত অৱহেলা কৰা ছজন কৰ্মচাৰীক জিলা নিৰ্বাচনী বিষয়াই কৈফিয়ৎ তলব কৰিছে।

শোণিতপুৰ জিলাৰ ভোটগ্ৰহণকাৰী বিষয়াসকলৰ কাৰণে প্ৰথমটো প্ৰশিক্ষণ কালি অনুষ্ঠিত হয়। জিলা নিৰ্বাচনী বিভাগৰ উদ্যোগত অনুষ্ঠিত প্ৰশিক্ষণত জিলাখনৰ মহিলাৰ দ্বাৰা পৰিচালিত হ'বলগীয়া ১২০টা ভোটগ্ৰহণ কেন্দ্ৰত ১৫০গৰাকী মহিলা নিৰ্বাচনী বিষয়া আৰু এহেজাৰ ১৪১গৰাকী পুৰুষ বিষয়াই অংশগ্ৰহণ কৰে।

০০০০০০০

সমগ্ৰ বিশ্বতে আজি বিশ্ব ঐতিহ্য দিৱস পালন কৰা হৈছে। এই দিনটো কীৰ্তি চিহ্ন আৰু ঐতিহ্যময় স্থানসমূহৰ দিন হিচাপেও জনা যায়। এই বছৰ এই দিৱসৰ বিষয় বস্তু হৈছে – 'ঐতিহ্যমণ্ডিত স্থানসমূহত দুৰ্যোগ আৰু সংঘাতৰ ভাবুকি'। বিশ্বৰ সাংস্কৃতিক আৰু প্ৰাকৃতিক ঐতিহ্যসমূহৰ সুৰক্ষা তথা সেইসমূহৰ প্ৰতি সন্মান জনোৱাৰ উদ্দেশ্যে প্ৰতি বছৰে ১৮ এপ্ৰিলৰ

দিনটোত এই দিৱস পালন কৰি অহা হৈছে। বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত ১৯৮৩ চনত আগ্ৰা কিলাৰ অন্তৰ্ভুক্তিৰ পাছত তাজমহল, অজন্তা আৰু ইলোৰা গুহাৰ অন্তৰ্ভুক্তিৰে আৰম্ভ হোৱা ভাৰতৰ যাত্ৰাত শেহতীয়াকৈ অসমৰ চৰাইদেউ মৈদাম ক্ষেত্ৰও সংযোজিত হৈছে। অসম প্ৰত্নতত্ব সঞ্চালকালয়ে আজি চৰাইদেউ মৈদাম ক্ষেত্ৰত বিশেষ কাৰ্যসূচী হাতত লৈছে। এই সন্দৰ্ভত সঞ্চালকালয়ৰ উপ-সঞ্চালক নৱজ্যোতি দেউৰীৰ সৈতে আমাৰ সংবাদদাতা নবুল কোঁৱৰ-

**ভইচ**

এই দিৱস উপলক্ষে আজি ভাৰতৰ পুৰাতত্ব জৰীপ বিভাগে ইয়াৰ অধীনৰ দেশৰ বিভিন্ন প্ৰান্তৰ কীৰ্তি চিহ্ন তথা স্থানসমূহ দৰ্শনৰ বাবে জনসাধাৰণৰ প্ৰৱেশ বিনামূলীয়া কৰিছে।

0000000

মালয়েছিয়াৰ কুৱালালামপুৰত আজিৰেপৰা হ'বলগীয়া মালয়েছিয়ান টুৰ এণ্ড ট্ৰেভেল এজেণ্ট ফ'ৰামৰ মেলাত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ নেতৃত্বত ভাৰতৰ এটা প্ৰতিনিধি দলে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত দেশৰ উত্তৰ- পূৰ্বাঞ্চলক বিশেষ গুৰুত্ব সহকাৰে লৈ ভাৰতে নিজৰ পৰ্যটন ক্ষেত্ৰৰ সম্ভাৱনাক তুলি ধৰাৰ প্ৰয়াস কৰিব। ভাৰত আছিয়ান পৰ্যটন পেছাদাৰী বিনিময় কাৰ্যসূচী ২০২৫ৰ অংশ হিচাপে শ্ৰীমাৰ্ঘেৰিটাই এই কাৰ্যসূচীত অংশ ল'ব। দুদিনীয়া এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে কেইবাগৰাকীও আগশাৰীৰ ব্যৱসায়িক নেতা আৰু প্ৰৱাসী ভাৰতীয়ৰ সৈতে মত বিনিময় কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে যোৱা বছৰ অনুষ্ঠিত একবিংশ ভাৰত-আছিয়ান শীৰ্ষ সন্মিলনত এই বছৰৰ ভাৰত-আছিয়ান পৰ্যটন বৰ্ষ পালনৰ পৰিকল্পনা কৰা হৈছিল।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে বাতৰি আৰু অনুষ্ঠান সম্পৰ্কত শ্ৰোতা ৰাইজৰ মতামত আৰু অভিমতক লৈ কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ – এই দুটা নম্বৰত ফোন কৰি আঞ্চলিক বাতৰি, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বাতৰি, জিলাৰ ৰেহৰূপ, দৃষ্টিপাত, সংবাদ চলন্তিকা, ক্ৰীড়া বাৰ্তা আৰু প্ৰাসংগিক আদি অনুষ্ঠান সম্পৰ্কত অভিমত আৰু পৰামৰ্শ আগবঢ়াব পাৰিব। ইয়াৰ লগতে শ্ৰোতাসকলে ৯৮৬৪০ ৫৫৫৬৬ নম্বৰত ৱাটছএপ যোগে পঠিওৱা বাৰ্তাও অনুষ্ঠানটোত অন্তৰ্ভুক্ত কৰা হ'ব।

বাতৰি বিভাগে পৰহিলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত অসমীয়া বিয়াৰ পৰিৱৰ্তন আৰু কিছু চিন্তা-দুঃচিন্তা বিষয়ক এটি বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই দুয়োটা অনুষ্ঠানৰে পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

0000000

অহা পহিলা মে'ৰ পৰা ফাষ্টেগ ব্যৱস্থাৰ সলনি জি এন এছ ব্যৱস্থাৰে ৰাষ্ট্ৰীয় ঘাইপথত চলাচল কৰা বাহনৰ পৰা মাচুল সংগ্ৰহৰ নতুন ব্যৱস্থা বলবৎ হ'ব। এই বাতৰিটোক **অসমীয়া প্ৰতিদিন** কাকতে 'ঘাইপথত গাড়ী চলালেই প্ৰতি কিলোমিটাৰত ভৰিব লাগিব মাচুল' শিৰোনামেৰে প্ৰকাশ কৰিছে।

জনশক্তি মন্ত্ৰালয়ে অসমৰ যোগীঘোপা-তিস্তা-ফাৰাক্কা নদী সংযোগৰ প্ৰস্তাৱিত প্ৰকল্প বাতিল কৰিছে। ইয়াৰ পৰিৱৰ্তে বিহাৰ, উত্তৰ-প্ৰদেশকে ধৰি কেইবাখনো ৰাজ্যত বালিৰ অভাৱ হোৱাৰ পৰিপ্ৰেক্ষিতত নদীৰ বুকু খনন কৰি আন ৰাজ্যলৈ বালি সৰবৰাহ কৰাৰ পৰিকল্পনা লোৱা হৈছে। এই বাতৰি **দৈনিক অসম** কাকতৰ।

পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ উদ্দেশ্যে হাজাৰ হাজাৰ প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল যদিও বহুসংখ্যক প্ৰাৰ্থীয়ে শেষত মনোনয়ন প্ৰত্যাহাৰ কৰিছে। এই সন্দৰ্ভত **দৈনিক জনমভূমি** কাকতে বিস্তৃত বাতৰি প্ৰকাশ কৰিছে।

সংশোধিত ৱক্‌ফ আইনক লৈ দেশজুৰি প্ৰতিবাদ অব্যাহত থকাৰ মাজতে বৃহস্পতিবাৰে আইনখনক লৈ উচ্চতম ন্যায়ালয়ে গ্ৰহণ কৰা শুনানিত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু ৱক্‌ফ ব'ৰ্ডক শীৰ্ষ আদালতখনে এলানি নিৰ্দেশ প্ৰদান কৰিছে। এই সন্দৰ্ভত **আমাৰ অসম** কাকতে কেন্দ্ৰক ৭ দিন সময় দিলে অৱসৰমুখী মুখ্য ন্যায়াধীশে শিৰোনামেৰে বাতৰি প্ৰকাশ

কৰিছে। দেশৰ কমেও ছখন ৰাজ্যত অহা দুই-এদিনৰ ভিতৰত বিজেপিয়ে নতুন সভাপতি নিযুক্তি দিয়াৰ সম্ভাৱনা প্ৰবল হৈছে। এই সন্দৰ্ভত **দৈনিক অগ্ৰদূত** কাকতে বাতৰি প্ৰকাশ কৰিছে।

বিহুৰ মঞ্চত সংগীত শিল্পী, গীতিকাৰ, দিগন্ত ভাৰতীক আয়োজক সমিতিৰ সদস্যই অপমান কৰাৰ অভিযোগ সন্দৰ্ভত **অসমীয়া খবৰ** কাকতে বাতৰি প্ৰকাশ কৰিছে। ভাৰতীয় ৰিজাৰ্ভ বেংকে শেহতীয়াকৈ প্ৰকাশ কৰা ষ্টেট ফাইনেন্স এ ষ্টাডি অব্ বাজেট শীৰ্ষক প্ৰতিবেদনত প্ৰকাশ পোৱা তথ্য অনুসৰি দেশৰ আগশাৰীৰ ৰাজ্য সমূহতকৈ অসম চৰকাৰে গ্ৰহণ কৰা ঋণৰ পৰিমাণ যথেষ্ট কম। এই বাতৰি **নিয়মীয়া বাৰ্তা** কাকতৰ। বায়ু প্ৰদূষণৰ ফলত বছৰি বহু লোকৰ মৃত্যু হয়। এই সন্দৰ্ভত **দি আছাম ট্ৰিবিউন** কাকতে ‘9 Point 8 million people die due to air polution anually’ শিৰোনামেৰে এটা সাক্ষাৎকাৰভিত্তিক বাতৰি প্ৰকাশ কৰিছে। ৰাজ্যত বিদ্যুৎ যোগান ব্যৱস্থা উন্নত কৰাৰ অৰ্থে অসম বিদ্যুৎ নিয়ন্ত্ৰণ আয়োগে অসম শক্তি বিতৰণ কোম্পানী লিমিটেডক কম খৰচত গ্ৰাহকক সৌৰ প্ৰকল্প সংযোগৰ ব্যৱস্থা কৰি দিবলৈ নিৰ্দেশ দিছে। **দা ছেণ্টিনেল** কাকতে ‘Minimize solar project cost to check tariff burden’ শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হোৱা এখন খেলত মুম্বাই ইণ্ডিয়ানছে ছান ৰাইজাৰ্ছ হায়দৰাবাদক ৪ উইকেটত পৰাস্ত কৰে। ১৬৩ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা মুম্বাইৰ দলটোৱে ১৮ অভাৰ আৰু এটা বলতেই ৬টা উইকেট হেৰুৱাই ১৬৬ ৰান কৰি বিজয় সাব্যস্ত কৰে। বলৰ হৈ উইল জেকে ২৬টা বলত ৩৬ ৰান আৰু অধিনায়ক হাৰ্দিক পাণ্ডিয়াই মাত্ৰ ৯টা বলত ২১ ৰান কৰে। ইয়াৰ পূৰ্বে ছান ৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৬০ ৰান সংগ্ৰহ কৰে। দলৰ হৈ অভিষেক শৰ্মাই সৰ্বাধিক ৪০ ৰানৰ বৰঙণি আগবঢ়ায়। মুম্বাইৰ হৈ উইল জেকে দুটা উইকেট লাভ কৰে। জেকক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব। দুয়োটা দলেই ৬ খনকৈ খেলৰ পৰা বৰ্তমান ৮ পইণ্টকৈ লাভ কৰি আছে। অৱশ্যে উন্নত ৰান ৰেটৰ বাবে পইণ্ট তালিকাত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু তৃতীয় স্থানত আৰু পাঞ্জাৱ কিংছ চতুৰ্থ স্থানত আছে।

০০০০০০০

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত ৰাজ্যৰ বিভিন্ন অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী ঢেৰেকনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২১ দশমিক ৯ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

অহা ২৪ ঘণ্টাত অসম, মেঘালয় আৰু মিজোৰামৰ বহু ঠাইত তথা অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ আৰু ত্ৰিপুৰাৰ ঠাইবিশেষে পাতলিয়াৰ পৰা মজলীয়া বৰষুণ হ’ব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**